# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

ৰাজ্যৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে আজিও ফাকুৱা আৰু দৌল উৎসৱ উদযাপন কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দৌল উৎসৱৰ আজি তৃতীয় দিনাও বহুতো লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে।

দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি কালিৰে পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

যোৰহাট জিলাৰ ৰংদৈত তিনি দিনীয়া কাৰ্যসূচীৰে শ্ৰী শ্ৰী গোবিন্দৰ দৌল যাত্ৰা উদযাপন কৰা হৈছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত পৰহিৰে পৰা ফল্গুৎসৱৰ উদযাপন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি সন্ধিয়া যোৰহাট বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীয়ে গৃহমন্ত্ৰীগৰাকীক বিমান বন্দৰত আদৰণি জনায়। কালি নিশা তেওঁ দেৰগাঁৱত নৈশ যাপন কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া আইজললৈ যাত্ৰা কৰিব। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰাত গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক হ'ব বুলি বিবেচনা কৰা হৈছে। ১৯৮৮ চনৰ পৰাই মিজো লোকসকলে আইজল নগৰৰ সোঁমাজত থকা আছাম

ৰাইফলছৰ ছাউনীটো এখন নতুন ঠাইলৈ স্থানান্তৰিত কৰাৰ দাবী কৰি আহিছিল। সেই সময়ৰ লালদেংগাৰ নেতৃত্বৰ এম এন এফ চৰকাৰে স্থানান্তৰকৰণৰ বাবে প্ৰথমটো প্ৰস্তাৱ দিছিল। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত আছাম ৰাইফলছৰ ঘাটি জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ ক্ষেত্ৰত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ ওভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

ৰাজ্য চৰকাৰে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ উন্নয়ন সাধনেৰে এই স্থানক সাংস্কৃতিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰূপায়ণ কৰা প্ৰকল্পৰ কাম অহা অক্টোবৰত সম্পূৰ্ণ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শ্ৰীশ্ৰীবটদ্ৰৱা থানত দৌল উৎসৱত অংশ লোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পৰ জৰিয়তে বটদ্ৰৱাক আধ্যাত্মিক কেন্দ্ৰ, শিল্প কেন্দ্ৰ, সাংস্কৃতিক আৰু গৱেষণা হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। এই প্ৰকল্পত পৰম্পৰাগত স্থাপত্য আৰু অসমৰ সাংস্কৃতিক বৈশিষ্টসমূহৰ উপৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন বৃত্তৰ চিত্ৰায়ন আদি সামৰি লোৱা হৈছে। তদুপৰি বৈষ্ণৱ সংস্কৃতিৰ প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন বাদ্যযন্ত্ৰ, নৃত্য পৰিৱেশন শৈলী আৰু জীৱন শৈলী প্ৰতিকৃতিৰ ৰূপত নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বটদ্ৰৱা থানত ৰাজ্যবাসীৰ কুশল-মংগল কামনাৰে সেৱা আগবঢ়ায়। তেওঁৰ সৈতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকে।

০০০০০

ৰাজ্যিক বাজেট ২০২৫-২৬ সন্দৰ্ভত কালি লখিমপুৰ প্ৰেছ ক্লাবত বিজেপিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। এই সংবাদমেলত সাংসদ প্ৰদান বৰুৱা, বিধায়ক ড০ অমিয় কুমাৰ ভূঞা, লখিমপুৰ জিলা বিজেপিৰ সভাপতি শ্যামল শৰ্মা, প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজকৰ্মী ফণীধৰ বৰুৱা আদি উপস্থিত থাকে। একেদিনাই লখিমপুৰ জিলা বিজেপিৰ অন্তৰ্গত ৰঙানদী, ডিক্ৰং, শিঙৰা, তেলাহি, ঘূণাসুঁতি আৰু নাওবৈচা মণ্ডল সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে দলৰ এখন সাংগঠনিক সভাও অনুষ্ঠিত হয়। এই সভাত দলৰ সাংগঠনিক দিশৰ লগতে মাটিৰ পট্টা, প্ৰধানমন্ত্ৰী আবাস যোজনা, বৃদ্ধ পেঞ্চন, অৰুণোদয় আঁচনি আৰু বিধৱা পেঞ্চন আদিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অধীনত বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই বিগত সময়ছোৱাত বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰিবলৈ সমৰ্থ হৈছে। শিৱসাগৰ আৰক্ষীয়ে কালি নিশা অভিযান চলাই থানামুখ অঞ্চলৰ পৰা দেৱজিত দাস নামৰ এজন যুৱকক আটক কৰাৰ উপৰি যুৱকজনৰ পৰা প্ৰায় ১০ গ্ৰাম হেৰ'ইন জব্দ কৰে।

০০০০০

সমাপ্ত